**বিহাৰ চৰকাৰ আৰু আন এজন**

**বনাম**

**নীলমনি চাহু আৰু আন এজন**

**৭ অক্টোবৰ, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি.বি. পাট্টানায়ক]**

দেৱানী কাৰ্যবিধি আইন, ১৯০৮ :

ধাৰা ১৫১ আৰু ১৫২-ডিক্ৰী সংশোধন-ক্ষতিপূৰণ-ভূমি অধিগ্ৰহণ আইনৰ অধীনত ভূমি অধিগ্ৰহণ বিষয়াই মাটিৰ লগতে তাত থকা গছৰ ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিছে, উচ্চ ন্যায়ালয়ত ভূমি অধিগ্ৰহণ আইনৰ ৫৪ নং ধাৰাৰ অধীনত আপীলৰ পৰ্যায়লৈকে আগবাঢ়িছে-উচ্চ ন্যায়ালয়ে গৃহীত কৰা ডিক্ৰী শুধৰণিৰ বাবে আবেদন দাখিল–একক ন্যায়াধীশে আবেদনৰ অনুমতি দি বহু বেছি ক্ষতিপূৰণ প্ৰদান কৰে-মতপোষণ কৰা হৈছে, একক ন্যায়াধীশে গ্ৰহণ কৰা সিদ্ধান্তটো নিৰীক্ষণৰ আওতালৈ আহিছে -ৰেফাৰেন্স আদালতে প্ৰদান কৰা সিদ্ধান্ত সংশ্লিষ্ট আইনখনৰ ধাৰা ৫৪ৰ অধীনত সমৰ্থন কৰা হৈছিল আৰু চূড়ান্ত হৈ পৰিছিল-ডিক্ৰী সংশোধনীত উচ্চ ন্যায়ালয়ে মূল আদেশ সংশোধন কৰিব নোৱাৰে আৰু মূল্যায়ন শুধৰাব নোৱাৰে-উচ্চ ন্যায়ালয়ে বিষয়টো পুনৰ বিবেচনা কৰি গাণিতিক ভুল বুলি গছৰ সংখ্যা আৰু ইয়াৰ মূল্যৰ বিষয়ে নতুন সিদ্ধান্তত উপনীত হোৱাৰ সময়ত গুৰুতৰ ভুল কৰিছিল-উচ্চ ন্যায়ালয়ৰ একক ন্যায়াধীশৰ আদেশ বাতিল কৰা হয়।

ভূমি অধিগ্ৰহণ আইন, ১৮৯৪

ধাৰা ২৩(১)-মাটিৰ লগতে তাত থকা গছৰ ক্ষতিপূৰণ-ভূমি অধিগ্ৰহণ বিষয়াই নিৰ্ধাৰণ কৰা গছৰ মূল্য, ৰেফাৰেন্স আদালতে আৰু উচ্চ ন্যায়ালয়ে ৫৪ নং ধাৰাত এক আপীলত নিশ্চিত কৰে-ডিক্ৰী শুধৰণিৰ বাবে আবেদন দাখিল–একক ন্যায়াধীশে আবেদনৰ অনুমতি

দিয়ে আৰু বহু বেছি ক্ষতিপূৰণ প্ৰদান কৰে-মতপোষণ কৰা হৈছিল, একক ন্যায়াধীশে বিষয়টো পুনৰ বিবেচনা কৰি গণনা কৰোতে হোৱা ভুল শুধৰণিৰ আঁত ধৰি গছৰ সংখ্যা আৰু মূল্যায়নৰ ক্ষেত্ৰত নতুন সিদ্ধান্তত উপনীত হোৱাত গুৰুতৰ ভুল কৰিছিল।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং-১৩২২৩-২৪/১৯৯৬

পাটনা উচ্চ ন্যায়ালয়ৰ এফ, এ, নং ৪৫/৮০ আৰু এল, পি, এ, নং-১৩৩/১৯৯৫ ত ২৮.১১.৯৪ আৰু ৩১.৮.৯৫ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীসকলৰ হৈ বি.বি.সিং।

উত্তৰদাতাসকলৰ হৈ এছ.বি. উপাধ্যায়।

ন্যায়ালয়ে তলত দিয়া আদেশ প্ৰদান কৰে:

বিলম্ব মাৰ্জনা কৰা হল।

অনুমতি প্ৰদান কৰা হ'ল।

আমি দুয়ো পক্ষৰ বিজ্ঞ অধিবক্তা সকলৰ যুক্তি সমূহ শুনিলো।

বিশেষ অনুমতি প্ৰাপ্তিৰে এই আপীল পাটনা উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ ১৯৯৫ চনৰ এল, পি, এ, নং-১৩৩ ত প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হৈছে। ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ ৰ ধাৰা ৪ (১) ৰ অধীনত অধিসূচনা ১৯৬৪ চনৰ ১০ ডিচেম্বৰত প্ৰকাশ কৰা হৈছিল। গছবোৰৰ সৈতে মুঠ ৪৩.১৪ একৰ মাটি অধিগ্ৰহণ কৰা হৈছিল। ভূমি অধিগ্ৰহণ বিষয়াই ১৯৭৯ চনৰ ৩ এপ্ৰিল তাৰিখে গ্ৰহণ কৰা সিদ্ধান্তত, গছৰ মূল্য ২৪৬৬/- টকা নিৰ্ধাৰণ কৰে। ১৯৮০ চনৰ ২৭ মাৰ্চ তাৰিখৰ সিদ্ধান্ত আৰু ডিক্ৰীত নিৰ্ধাৰণ কৰা অনুসৰি দেৱানী আদালতে ১৮ নং ধাৰাত ৰেফাৰেন্সৰ সময়ত গছবোৰৰ মূল্য নিৰ্ধাৰণ কৰে। আপীলকাৰীসকলে ১৯৯১ চনৰ ৬

ছেপ্টেম্বৰত সুতৰ সৈতে ক্ষতিপূৰণ দিছিল। মুঠ ধনৰ পৰিমাণ আছিল প্ৰায় ১৫,০০০ টকা আৰু প্ৰতিবাদীসকলে এই ধন গ্ৰহণ কৰিছিল। ৰেফাৰেন্স আদালতৰ ৰায় আৰু ডিক্ৰীৰ বিৰুদ্ধে যেতিয়া আপীল দাখিল কৰা হৈছিল, তেতিয়া উচ্চ ন্যায়ালয়ে প্ৰথমে গছৰ মূল্য পৰীক্ষা কৰিছিল। উচ্চ ন্যায়ালয়ে নিজৰ সিদ্ধান্তৰ ২৩ নং দফাত নিৰ্ধাৰণ কৰি মতপোষণ কৰিছিল যে গছৰ মূল্যৰ ক্ষতিপূৰণ দাবী কৰা যুক্তিটো সমৰ্থনযোগ্য নহয়। সেই সময়ত দাবী কৰা ধন ১৪ লাখ টকা আৰু কিছু অতিৰিক্ত ধনতকৈ কম নাছিল। এই দাবীক সমৰ্থন কৰিবলৈ এজন ব্যৱসায়ীৰ পৰা লাভ কৰা এখন পত্ৰ প্ৰমাণ হিচাপে দাখিল কৰা হৈছিল আৰু গছবোৰৰ মূল্যায়ন সন্দৰ্ভত বিবেচনা কৰিবলৈ আহ্বান জনোৱা হৈছিল। উচ্চ ন্যায়ালয়ে পত্ৰখন পুনৰীক্ষণ কৰিছিল আৰু নিৰ্ভৰযোগ্য প্ৰমাণ নহয় বুলি ইয়াক নাকচ কৰিছিল। "ন্যায়ালয়ে মত পোষণ কৰে যে নথিখনৰ বিশ্বাসযোগ্যতাৰ ওপৰত সন্দেহৰ সৃষ্টি হয়। আকৌ ভূমি পৰিদৰ্শন কৰা কাননগোৰ প্ৰতিবেদন পৰা দেখা যায় যে গছৰ সংখ্যা সম্পৰ্কে ভুল তথ্য দিয়া হৈছে। দৰাচলতে এবাৰ তেওঁ লক্ষ্য কৰিছিল যে মাটিৰ মূল অংশ পানীৰ তলত ডুব গৈছে। তেওঁ লক্ষ্য কৰিছিল যে তেওঁক দেখুওৱা গছৰ সংখ্যাৰ ক্ষেত্ৰত বহু পৰিমাণে অতিৰঞ্জিত কৰা হৈছে। এই বিষয়াজনে ক্ষতিপূৰণ দিবলগীয়া গছ সমূহ ব্যক্তিগতভাৱে পৰীক্ষা কৰিছিল। এইটো সৰ্বজন বিদিত যে ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পৰা গছজোপাৰ বাহিৰে বহু মূল্যহীন উদ্ভিদ জংঘলত গজে । এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক মানি ল'ব নোৱাৰি।" এই পৰিস্থিতিত উত্তৰদাতা-ৰাজ্যই প্ৰদান কৰা গছৰ মূল্য গ্ৰহণ কৰিব লাগিব। সেয়ে এই আদেশ চূড়ান্ত হৈ পৰিছে। এই ডিক্ৰী শুধৰণিৰ বাবে দেৱানী কাৰ্যবিধি আইনৰ ১৫১ আৰু ১৫২ ধাৰাত এখন আবেদন দাখিল কৰা হয়। বিজ্ঞ একক ন্যায়াধীশগৰাকীয়ে প্ৰমাণসমূহ পৰ্যালোচনা কৰি এই সিদ্ধান্তত উপনীত হয় যে গছবোৰৰ মূল্য ২৫,৩০,৯১৯.৫০ টকা, আৰু ছ'লেটিয়াম আৰু সুতৰ সৈতে মিলিলে মুঠ ৭৬,২১,৬৩০.৩০ টকা। যেতিয়া আপীল দাখিল কৰা হয়, তেতিয়া খণ্ড বিচাৰপীঠে নিৰ্ধাৰণ কৰে যে যিহেতু ই ডিক্ৰীৰ এক সংশোধনী হয়, গতিকে এল,

পি, এ, প্ৰযোজ্য নহয়, আৰু সেয়েহে আপীল খাৰিজ কৰা হয়। খণ্ড বিচাৰপীঠৰ এই সিদ্ধান্তৰ সৈতে আমি একমত যে ডিক্ৰীখনৰ সংশোধনীৰ বিৰুদ্ধে আপীল দাখিল কৰিব নোৱাৰি; ইয়াক কেৱল পুনৰবিবেচনা কৰিব পাৰি। যিহেতু বিজ্ঞ একক ন্যায়াধীশে আপীলত ডিক্ৰীটো সংশোধন কৰিছিল, সেয়েহে পুনৰবিবেচনাও কৰা নহ'ব। খণ্ড বিচাৰপীঠে গ্ৰহণ কৰা সিদ্ধান্তত ভুল নাই। কিন্তু প্ৰশ্ন উত্থাপন হয়- বিজ্ঞ একক ন্যায়াধীশজনে ডিক্ৰীটো শুধৰণি কৰা আৰু আদেশৰ জৰিয়তে দেৱানী কাৰ্যবিধি আইনৰ ১৫১ আৰু ১৫২ ধাৰাৰ অধীনত পূৰ্বতে উল্লেখ কৰা ৭৬,২১,৬৩০.৩০ লাখ টকাৰ ধন পৰিশোধ কৰাৰ নিৰ্দেশ দিয়াটো শুদ্ধ আছিল নে? আমি সন্মান সহকাৰে কব বিচাৰো যে বিদ্বান একক ন্যায়াধীশ ন্যায়াধীশ আৰ. কে. দেৱে গ্ৰহণ কৰা দৃষ্টিভংগী অত্যন্ত সন্দেহজনক। এইটো কোৱা হৈছে যে ভূমি অধিগ্ৰহণ বিষয়াই ২,৪৬৬/- টকাত গছৰ মূল্য নিৰ্ধাৰণ কৰিছিল। ৰেফাৰেন্সত প্ৰমাণ উপস্থাপনৰ পিছত, ৰেফাৰেন্স আদালতে ভূমি অধিগ্ৰহণ বিষয়াৰ দ্বাৰা নিৰ্ধাৰিত মূল্যায়ন নিশ্চিত কৰিছিল। আইনখনৰ ৫৪ নং ধাৰাত নিয়মীয়া আবেদন দাখিল কৰাৰ সময়ত উচ্চ ন্যায়ালয়ে বিষয়টো ভালদৰে পৰীক্ষা কৰি গছৰ সংখ্যা আৰু মূল্য মানি লোৱা নাছিল। উচ্চ ন্যায়ালয়ে ৰেফাৰেন্স আদালতৰ সিদ্ধান্তক সমৰ্থন কৰিছিল। অন্য কথাত কবলৈ গলে ৰেফাৰেন্স আদালতে প্ৰদান কৰা ২,৪৬৬/- টকা সমৰ্থন কৰা হ'ল আৰু চূড়ান্ত হৈ পৰিল। প্ৰশ্ন হৈছে যে উচ্চ ন্যায়ালয়ে চূড়ান্ত আদেশ সলনি কৰি পূৰ্বতে নিৰ্ধাৰণ কৰা ২৫,৩৯,৯১৯.৫০ টকা পুনৰ নিৰ্ধাৰণ কৰিব পাৰে নেকি। গণনা কৰোতে হোৱা ভুলৰ গইনা লৈ উচ্চ ন্যায়ালয়ে বিষয়টো পুনৰ বিবেচনা কৰি গছৰ সংখ্যা আৰু ইয়াৰ মূল্যৰ বিষয়ে নতুন সিদ্ধান্তত উপনীত হৈ ইতিমধ্যে ভুল কৰিলে। সেয়েহে, ডিক্ৰী সংশোধনৰ বাবে ওপৰত উল্লেখ কৰা পৰিমাণ সন্দৰ্ভত বিজ্ঞ একক ন্যায়াধীশজনৰ সিদ্ধান্ত সম্পূৰ্ণৰূপে ভুল আছিল।

সেয়েহে, আপীলসমূহ মঞ্জুৰ কৰা হ'ল আৰু বিদ্বান একক ন্যায়াধীশে লোৱা সিদ্ধান্ত বাতিল কৰা হ'ল । খৰচ আৰোপ কৰা হোৱা নাই ।

আপীল মঞ্জুৰ কৰা হ’ল ।

---

অনুবাদ–কংকনা বৰা

জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

……………………………………………………

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।“